জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১২৯/২০২০

# লক ডাউনৰ সময়ত অত্যাৱশ্যকীয় সামগ্ৰী পৰ্যাপ্ত পৰিমাণে উপলব্ধকৰণ সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত গুৰুত্বপূৰ্ণ বৈঠক

**দিছপুৰ, ২৪ মাৰ্চ ঃ** লক ডাউনৰ সময়ছোৱাত অত্যাৱশ্যকীয় সামগ্ৰী পৰ্যাপ্ত পৰিমাণে উপলব্ধকৰণ সন্দৰ্ভত ব্ৰহ্মপুত্ৰ ৰাজ্যিক অতিথিশালাত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ অধ্যক্ষতাত আজি এক গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়।

বৈঠকত মুখ্যমন্ত্ৰীয়ে লক ডাউনৰ সময়ছোৱাত অত্যাৱশ্যকীয় খাদ্য সামগ্ৰী জনসাধাৰণৰ বাবে নিশ্চিতকৰণৰ দিশত প্ৰয়োজনীয় সকলো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ যোগান বিভাগক নিৰ্দেশ দিয়ে। এই দিশত যোগান বিভাগ আৰু পৰিবহন বিভাগক সংঘবদ্ধভাৱে কাম কৰাৰ বাবেও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে যাতে অত্যাৱশ্যকীয় খাদ্য সামগ্ৰী জনসাধাৰণৰ বাবে পৰ্যাপ্ত পৰিমাণে উপলব্ধ থাকে। মুখ্যমন্ত্ৰীয়ে লগতে সকলোবোৰ জিলাতে যাতে সামগ্ৰী যোগান আৰু বিতৰণ ব্যৱস্থা অক্ষুণ্ণ থাকে তাৰ নিশ্চিতিকল্পে পদক্ষেপ গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে সাম্প্ৰতিক পৰিস্থিতিৰ সুযোগ লৈ যাতে কোনো অসাধু ব্যৱসায়ীয়ে অত্যাৱশ্যকীয় সামগ্ৰীৰ কৃত্ৰিম নাটনিৰ সৃষ্টি কৰিব নোৱাৰে সেই দিশত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ বাবেও সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে খাদ্য আৰু অসামৰিক যোগান বিভাগৰ অতিৰিক্ত মুখ্য সচিব গৰাকীক ৰেলৱেৰ সৈতে অতি শীঘ্ৰে এক বৈঠকত মিলিত হ'বলৈ নিৰ্দেশ দিয়ে যাতে অত্যাৱশ্যকীয় সামগ্ৰীৰ পৰিবহন ব্যৱস্থাটো সুচলতৰ হৈ থাকি কোনো ধৰণৰ নাটনিৰ সৃষ্টি নহয়।

আজিৰ এই বৈঠকত খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী ফণী ভূষণ চৌধুৰী, পৰিবহন বিভাগৰ মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, মুখ্য সচিব কুমাৰ সঞ্জয়কৃষ্ণ, আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্ত, খাদ্য আৰু অসামৰিক যোগান বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্য সচিব উপস্থিত থাকে।

সুঃদঃ / বঃভাঃ / পুঃডেঃ
২৪/০৩/২০২০

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in